গ/ কবিপ্ৰসিদ্ধি কি?

উত্তৰ:- বিশ্বজগতৰ স্ৰষ্টা প্ৰজাপতি। কিন্তু কাব্য-জগত বা সাহিত্যজগতৰ স্ৰষ্টা কবি — "কবিৰেৱ প্ৰজাপতিঃ"। কবিয়ে এই জগত সৃষ্টি কৰে প্ৰতিভাৰ যোগেদি। ইয়াৰ উপাদান সকলো বিশ্ব-জগতৰ পৰাই সংগৃহীত নহয়, বহু পৰিমাণে গৃহীত হয় নিজৰ কল্পনা জগতৰ পৰাও। সেয়েহে, বাস্তৱ-জগতত যি বস্তু বা কথা সত্য নহয়, সেইবোৰকো কাব্যজগতত কবিয়ে ৰূপায়িত কৰি আহিছে। কবিৰ এই জগতসমূহত বাস্তৱ-সত্য নথকা কবিৰ কল্পনাপ্ৰসূত বস্তুবোৰ কথা স্বতঃসিদ্ধ ৰূপে আৱহমান কালৰে পৰা চলি আহিছে। এনেধৰণে চলি অহা কবিৰ কল্পনাপ্ৰসূত চিত্ৰ বা কথাবোৰেই সাহিত্যত কবিপ্ৰসিদ্ধি বোলা হয়।

---

ঘ/ অলংকাৰ শব্দৰ অৰ্থ দুটা কি কি?

উত্তৰ:- সংস্কৃত "অলম্" শব্দৰ পৰা 'অলংকাৰ' শব্দ ওলাইছে। 'অলম্' শব্দৰ অৰ্থ দুটা। — এটা পৰ্যাপ্তি বা যথেষ্টৰ ভাৱ আৰু আনটো ভূষণ। এই দুবিধ অৰ্থৰ পৰাই অলংকাৰ শব্দৰো অৰ্থ দুটা। প্ৰথম অৰ্থত যিয়ে কাব্য সাহিত্যত পৰ্যাপ্তি আনি দিয়ে, অৰ্থাৎ সকলো ফালেদি ইয়াক সুস্পষ্ট, নিৰ্দোষ আৰু উপভোগৰ যোগ্য কৰি তোলে, সিয়েই অলংকাৰ। দ্বিতীয় অৰ্থত যিয়ে সাহিত্যক ~~কংকণ-কুণ্ডল~~ কংকণ-কুণ্ডল আদিৰ নিচিনা ভূষিত কৰে, সিয়েই অলংকাৰ।

---

# অলংকাৰ আৰু কবি প্ৰসিদ্ধি

অপাৰ সংসাৰত কবি প্ৰজাপতিস্বৰূপ। তেওঁলোকৰ কল্পনাৰ বলত এখন সুকীয়া সংসাৰৰ সৃষ্টি হৈছে। কবিসকলে কাব্যনিৰ্মাণ কৰোঁতে অকল যে বাস্তৱ জগতৰপৰাই উপাদান আহৰণ কৰে তেনে নহয়। কল্পনাৰ জগতৰপৰাও তেওঁলোকে উপাদান সংগ্ৰহ কৰে। লৌকিক অস্তিত্ব নথকা লোক প্ৰসিদ্ধি নথকা বহুত কথা কবিৰ সংসাৰত প্ৰসিদ্ধ আৰু স্বতঃসিদ্ধৰূপে গৃহীত হৈ আহিছে। কবিজগতৰ কাৰ্যকাৰণ সম্বন্ধও সেইৰূপেই অলংকাৰাদিত নিৰ্ণয় হয়। সূৰ্য উদয় হোৱাৰ পিছতো পদুম জাপখাই থকা আমি দেখিছোঁ, তথাপি কবিৰ সৃষ্ট সংসাৰত সূৰ্যৰ উদয়ত পদুমৰ পাহি মেল খোৱা, চন্দ্ৰৰ অভাৱত ভেটফুল জাপখাই থকাৰ কাৰ্যকাৰণ সম্বন্ধ স্বতঃসিদ্ধভাৱে মানি লোৱা হয়। এনেকুৱাকৈ পৰম্পৰা ক্ৰমে বহুত কল্পচিত্ৰ পুৰণি কালৰপৰা সাহিত্যৰ সোঁতত ভাহি আহি আছে। সেইবোৰকে কবি প্ৰসিদ্ধি বোলে। বাস্তৱতাৰ তুলাচনীত জোখমাখ কৰি চালে কবিয়ে পতা সৃষ্টিখনৰ বহুত কথা ভুৱা যেন লাগিব পাৰে; কিন্তু আচৰিত কথা যে এই ভুৱাক ভুৱা যেন নালাগে, সঁচা যেন লাগে। কবিৰ এনে কল্পচিত্ৰবোৰ আমাৰ মনত এনে দকৈ সোমাই গৈছে যে, সি কবিসকলৰ কাৰো নিজা সম্পত্তি হৈ থকা নাই। সকলোৰে উমৈহতীয়া কাব্য উপাদান হৈ পৰিছে। সেই কল্পচিত্ৰবোৰে সংস্কৃতৰপৰা আমাৰ ভাষালৈকো বাগৰি আহি বহুদিনৰপৰা থিতাপি লৈছে। পুৰণি আৰু আধুনিক সকলো ৰচনাতে কবি প্ৰসিদ্ধিবোৰৰ প্ৰয়োগ সমানে আছে। আধুনিক যুগৰ কবিসকলৰ মাজত এই কবি প্ৰসিদ্ধিৰ যদিও সমাদৰ কমি আহিছে তথাপি দুই এটা নতুন প্ৰসিদ্ধিৰো জন্ম নোহোৱাকৈ থকা নাই।

অলংকাৰবোৰ বুজিবলৈ হলে আৰু পুৰণি কাব্যৰ স্বৰূপ জানিবলৈ হলে কবি-প্ৰসিদ্ধিবোৰ সম্পৰ্কে অলপ জানিব লাগে। বিদ্যাপতিৰ কবিতা এফাকি লোৱা যাওক :

"অৰুণ পূৰৱ দিশ বহল সগৰ নিশ
গগণ গমন ভেল চন্দা;

মুনি গেল কুমুদিনী তয়ো তোহাৰ ধনি
মুনল মুখ অৰবিন্দা।"

পুৱা মুখ ওন্দোলাই থকা অভিমানিনী নায়িকাক উদ্দেশ্য কৰি নায়কে কৈছে "পূব দিশ হেঙুলীয়া হৈ পৰিছে, দীঘল ৰাতিও পুৱাল, পছিমত চন্দ্ৰ মাৰ গ'ল। লগে লগে ভেটফুল মুদ খাই গ'ল কিন্তু সুন্দৰি তোমাৰ মুখাৰবিন্দ এতিয়াও জাপ খায়ে আছে, ই কেনে কথা?" সূৰ্য ওলোৱাৰ লগে লগে পদুম মেল খাই পৰে তোমাৰ মুখো পদুমেই, কিন্তু এই মুখ-পদুম কিয় মুদ খাই আছে।

ইয়াত ব্যৱহাৰ হোৱা অলংকাৰটোৰ নাম বিশেষোক্তি। কাৰণ থকাতো কাৰ্য হৈ নুঠাৰ বৰ্ণনা ইয়াৰ বিশেষ। সূৰ্যৰ উদয়ৰূপ কাৰণ থকাটো অৰবিন্দ মেল খোৱা নাই এই বিশেষ উক্তিৰদ্বাৰা কবিয়ে মানিনীৰ মান বৰ্ণনা কৰিছে। ইয়াত বাস্তৱ জগতৰ কাৰ্যকাৰণ সম্বন্ধ নাই, কাৰণ সূৰ্যৰ উদয় হলেহে যে পদুম ফুলে এনে কথা নহয়। তথাপি কবি-সংসাৰত, কবিৰ কল্পলোকত এই কাৰ্যকাৰণ সম্বন্ধ বাস্তৱ। গতিকে অলংকাৰৰ বেলিকাও ইয়াক কাৰ্যকাৰণৰ ব্যতিক্ৰম বুলি মানি ললেহে বিশেষোক্তি অলংকাৰৰ তাৎপৰ্য ৰক্ষা পৰিব।

কবিৰ মনে পতা কিছুমান প্ৰাকৃতিক সম্বন্ধই কাব্যত সদায় গৃহীতসত্যৰূপে প্ৰসিদ্ধ হৈ আহিছে। কবিৰ ৰাজ্যত বৰ্ষা কালত বিৰহীৰ দুঃখ দুগুণে চৰে। মেঘ দেখিলে ম'ৰা চৰায়ে চালি ধৰি নাচে। শৰৎ কালত ৰাজহাঁহ মান সৰোবৰলৈ যায়। সৰোবৰ মাত্ৰতে ৰাজহাঁহ থাকে আৰু মৃণাল ভুঞ্জে। চকোৰ পক্ষীয়ে জোনাক পান কৰে। চাতকে বৰষুণৰ টোপালৰ বাহিৰে আন পানীৰে পিয়াহ নামাৰে। গাভৰুৰ চৰণাঘাত লাভ কৰিলেহে অশোক ফুলে। আমৰ মল খাই মত্ত হৈ কোকিলে আৱাৱ কৰে। বাস্তৱ ৰাজ্যত জেঠ-আহাপ মহীয়া কুলিৰ মাত শুনা যায়; কিন্তু কবিৰ ৰাজ্যত বসন্ত কালতহে কেৱল কুলিয়ে মাতে। কবিৰ আকাশত চন্দ্ৰ সুধাকৰ, দেৱতাৰ অমৃত গোপন নিধি। মেঘৰ বৰ্ণ সদায় ক'লা। মলয়গিৰিতহে চন্দনৰ উৎপত্তি হয়। কবিৰ মতে যশস্যা আৰু হাঁহিৰো বৰণ আছে— শ্বেত। অযশ আৰু পাপ ক'লা। ক্ৰোধ আৰু অনুৰাগ ৰঙা। চাকৈ চকোৱাই ৰাতি হলে নদীৰ দুয়ো পাৰে অকলশৰীয়াকৈ বিৰহত কটায়। এইদৰে বাস্তৱত থকাক নথকা আৰু নথকাক থকা কৰি কবিয়ে অপৰূপ সংসাৰৰ সৃষ্টি কৰে। কাব্যত সেইবিলাক বাস্তৱৰূপেই সহৃদয়জনে গ্ৰহণ কৰি ৰস পাই আহিছে।

এই কবি প্ৰসিদ্ধিবিলাক বহুকাল চলি আহিলেও তাৰ সৌন্দৰ্য আজিকোপতি মোলান পৰা নাই। এতিয়াও প্ৰতিভাবান কবিৰ ৰচনাত এই প্ৰসিদ্ধিবোৰে চিৰ

নতুন হৈ নিজ গৌৰৱ ঘোষণা কৰে। কবি প্ৰসিদ্ধিবিলাক যদিও গতানুগতিক তথাপি তাৰ লগত জড়িত থকা কল্পচিত্ৰবোৰৰ এটা সুকীয়া সৌন্দৰ্য আৰু ৰচনাক মনোমোহা কৰিব পৰা ক্ষমতা আছে। গতানুগতিক হৈও প্ৰতিভাৰ পৰশ লাগিলে সেইবোৰ মুঞ্জৰি উঠে। হাঁহি আৰু যশস্যা ধৱলবৰ্ণ— এই কবি প্ৰসিদ্ধিৰ কথা উনুকিয়াই আহিছোঁ। এই প্ৰসিদ্ধিৰে আলম লৈ কালিদাসে ধৱলগিৰি কৈলাসৰ তুষাৰ স্তূপৰ কি সুন্দৰ বৰ্ণনা দিছে উৎপ্ৰেক্ষালংকাৰৰ সহায়ত ঃ

"ৰাশীভূতঃ প্ৰতিদিনমিব ত্ৰ্যম্বকস্যাট্টহাসঃ"। —*মেঘদূত*

ই যেন বৰফৰ পুঞ্জ নহয় ত্ৰ্যম্বকশিৱৰ অট্টহাস প্ৰতিদিনে স্তূপীকৃত হৈ এনেৰূপ লৈছে। পুৰণিকলীয়া প্ৰসিদ্ধি 'হাস্যৰ ধৱলতা' তাকে লৈ শিৱৰ অট্টহাসৰ লগত কৈলাসৰ পুঞ্জীভূত বৰফৰ সুসাদৃশ্যৰ ব্যঞ্জনা দি কালিদাসে মনোৰম চিত্ৰ তুলি ধৰিছে।

আধুনিক যুগৰ ৰবীন্দ্ৰনাথেও কবিতা এটাত চন্দ্ৰক সুধাকৰ ৰূপে দেৱতাৰ অমৃত-নিধান বুলি উপমান স্বৰূপে উপস্থাপিত কৰি ভাবক কেনে সৌন্দৰ্যময় কৰি তুলিছে।

"তব স্পৰ্শ তব প্ৰেম ৰেখিছি যতনে
তব সুধা কণ্ঠ বাণী, তোমাৰ চুম্বন
তোমাৰ আঁখিৰ দৃষ্টি, সৰ্বদেহমন
পূৰ্ণ কৰি, ৰেখেছে যেমন সুধাকৰ
দেৱতাৰ গুপ্তসুধা যুগ যুগান্তৰ
আপনাৰে সুধাপাত্ৰ কৰি।"

কবি প্ৰসিদ্ধিৰ বাহিৰেও কিছুমান পুৰাণ কল্পিত বস্তুসম্বন্ধও কবিসকলৰ বৰ প্ৰিয়। ওপৰত দিয়া ৰবীন্দ্ৰনাথৰ কবিতাটোত চন্দ্ৰৰ সুধাকৰত্ব কবি প্ৰসিদ্ধি হলেও সি পুৰাণৰ কাহিনীৰপৰা আহৰণ কৰা। পুৰাণৰ কাহিনী আৰু কল্পনাবিলাকে যুগে যুগে ভাৰতীয় কবিক সুন্দৰ সৃষ্টিৰ উপাদান যোগাই আহিছে। সেই অপাৰ নিধি আজিও শুকাই যোৱা নাই। প্ৰতিভাবান সৌন্দৰ্যবিলাসী কবিয়ে তাৰপৰা নতুন মনোহৰ কল্পচিত্ৰৰ সমল আহৰণ কৰিয়ে আছে।